# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-06-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জম্মু আৰু কাশ্মীৰৰ চেনাব নদীৰ ওপৰত নিৰ্মাণ কৰা পৃথিৱীৰ সৰ্বোচ্চ ধনুভেৰীয়া দলংখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। প্ৰধানমন্ত্ৰীয়ে আজি কাট্‌ৰাত আঞ্জি খাদ দলঙো উদ্বোধন কৰে। কাশ্মীৰ উপত্যকাক দেশৰ বাকী অংশৰ সৈতে ৰে'ল সংযোগ ঘটোৱাৰ বাবে আৰম্ভ কৰা ৪২ বছৰ পুৰণি প্ৰকল্পটোৰ অন্তিম পৰ্যায়ত চেনাব দলংখন উদ্বোধন কৰাৰ লগে লগে এই অভিলাষী প্ৰকল্প সম্পূৰ্ণ হ'ল। ইয়াৰ ফলত এহেজাৰ ৪৪৮ কোটি টকা ব্যয় সাপেক্ষ ২৭২ কিলোমিটাৰ দৈৰ্ঘ্যৰ উধমপুৰ-শ্ৰীনগৰ-বাৰামুল্লা ৰে'ল পথৰ নিৰ্মাণৰ কামো সম্পূৰ্ণ হৈছে। হিমালয়ৰ অসমতল পাৰ্বত্য অঞ্চলৰ  মাজেৰে নিৰ্মাণ কৰা এই ৰে'লপথছোৱাত থকা ৩৬টা সুৰংগ আৰু ৯৪৩ খন দলং বিশ্বৰ অন্যতম আভিযান্ত্ৰিক উৎকৃষ্টতাৰ নিদৰ্শন ৰূপে চিহ্নিত হৈছে। প্ৰধানমন্ত্ৰীয়ে আজি জম্মু আৰু শ্ৰীনগৰৰ মাজত  নতুন অত্যাধুনিক বন্দে ভাৰত এক্সপ্ৰেছ সেৱাও মুকলি কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে এই উপলক্ষে দিয়া ভাষণত পেৰিচৰ আইফেল টাৱাৰতকৈও ওখ এই দৰংখনক ভাৰতৰ আভিযান্ত্ৰিক পাৰদৰ্শিতাৰ উৎকৃষ্ট নিদৰ্শন বুলি অভিহিত কৰে আৰু ইয়াৰ ফলত কাশ্মীৰত উৎপাদিত সুস্বাদু আপেল আৰু আন ফলমূলসমূহে দেশৰ বাকী অংশত উপযুক্ত বজাৰ পাবলৈ সমৰ্থ হ'ব বুলি আশা প্ৰকাশ কৰে।

অনুষ্ঠানত জম্মু আৰু কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা, মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা, ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

০০০০০

ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও   ১৬ খন জিলাৰ ৫ লাখ ৬০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। আজিৰ দিনটোত বানত কোনো লোকে প্ৰাণ হেৰুওৱা নাই বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। এই বানত ৰাজ্যখনৰ এহেজাৰ ৪০০ ৰো অধিক গাঁও ক্ষতিগ্ৰস্ত হৈছে আৰু প্ৰায় এহেজাৰ ৯০০ হেক্টৰ কৃষিভূমিৰ ক্ষতি হৈছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে আজি পুৱাৰে পৰা শ্ৰীভূমি জিলাত উদ্ধাৰ অভিযান চলাই আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ তথ্য অনুসৰি এতিয়াও ৪১ হাজাৰতকৈ অধিক লোকে ১৭৫ টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে। ৰাজ্যখনৰ বিভিন্ন অংশত পথ, ৰে'ল আৰু ফেৰী সেৱা ব্যাহত হৈ থকাৰ বাতৰি পোৱা গৈছে। ইপিনে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ৰাজ্যখনৰ অধিকাংশ অঞ্চলত পাতলিয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলী বতৰা দিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বৰাক উপত্যকা ভ্ৰমণ কৰি বান পৰিস্থিতিৰ বুজ লয়। তেওঁ হাইলাকান্দি জিলাৰ কালীনগৰ, পাঁচগ্ৰামকে ধৰি কেইবাটাও   আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি বানপীড়িত লোকসকলৰ সৈতে মত বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে লগতে তাৎক্ষণিকভাৱে সাহায্য বিতৰণত সহায় হোৱাকৈ বানত ক্ষতিগ্ৰস্ত লোকসকলক তেওঁলোকৰ বেংকৰ সবিশেষ আৰু আন প্ৰয়োজনীয় তথ্যসমূহ প্ৰেৰণ কৰিবলৈ আহ্বান জনায়। ড° শৰ্মাই এই সময়ছোৱাত হ'ব পৰা বিভিন্ন স্বাস্থ্য

সম্পৰ্কীয় সমস্যাৰ আগতীয়া সাৱধানতা  হিচাপে আশ্ৰয় শিবিৰত চিকিৎসা প্ৰদানকাৰী দলৰ ব্যৱস্থা কৰাৰ উপৰি অন্যান্য যাৱতীয় সুবিধাসমূহ প্ৰদান কৰাটো নিশ্চিত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি শ্ৰীভূমি জিলাতো আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি বন্যাৰ্তসকলৰ সমস্যাৰ বুজ লয়।

ইপিনে ব্ৰহ্মপুত্ৰ আৰু কপিলী নৈৰ বাঢ়নি পানীয়ে পবিতৰা অভয়াৰণ্যৰ ৭০ শতাংশ বনাঞ্চলৰ বুৰাই পেলাইছে। অভয়াৰণ্যখনৰ টুপলুং হাঁহচৰা, পাগলাডুবা, হাদুক, শিলডুবিকে ধৰি কেইবাটাও  বন শিবিৰ বানৰ কবলত পৰিছে। বন বিভাগ আৰু অন্যান্য সংস্থাই বন্য প্ৰাণীসমূহৰ খাদ্যৰ অভাৱ নহ'বৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ উপৰি চোৰাং চিকাৰীয়ে যাতে এই সময়ত সুযোগ লব নোৱাৰে তাৰ বাবেও চোকা দৃষ্টি ৰাখিছে। ০০০০০

০০০০০

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ৰে'ল যাত্ৰীসকলৰ সুবিধা হোৱাকৈ গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত প্ৰৱৰ্তন কৰা দ্বিসাপ্তাহিক জনশতাব্দী এক্সপ্ৰেছ ৰে'লগাড়ীখন সপ্তাহত ৬ দিনকৈ চলাবলৈ অসম ৰে'ল যাত্ৰী সন্থাই আহ্বান জনাইছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য যাত্ৰী পৰিবহন প্ৰবন্ধকলৈ লিখা এখন পত্ৰত ৰে'ল যাত্ৰী সংগঠনটোৱে গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত এই জনশতাব্দী এক্সপ্ৰেছ প্ৰৱৰ্তনৰ বাবে ৰে'ল কৰ্তৃপক্ষৰ শলাগ লয়। সংগঠনটোৱে ৰে'ল গাড়ীখনৰ যথাযোগ্য ব্যৱহাৰৰ বাবে ইয়াক দৈনিক নহ'লেও অন্ততঃ সপ্তাহত ছদিনকৈ চলাচল কৰালে সমগ্ৰ উত্তৰপৰীয়া ৰাইজ উপকৃত হ'ব বুলি পত্ৰখনত উল্লেখ কৰে। সংগঠনটোৱে এই ৰে'লগাড়ীখনৰ উত্তৰ লখিমপুৰৰ পৰা কৰা যাত্ৰাৰ সময় আগুৱাই দিবলৈ আৰু গুৱাহাটীত উপস্থিত হোৱাৰ সময় মাজনিশা ১১ বাজি ২৫ মিনিটৰ পৰিৱৰ্তে সন্ধিয়া ৭ বজা কৰিবলৈকো এন এফ ৰে'লৱে কৰ্তৃপক্ষক আহ্বান জনায়।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৫-২৬ শৈক্ষিক বৰ্ষৰ বাবে নৱম শ্ৰেণীৰ পঞ্জীয়নৰ সময়সীমা দুদিন বৃদ্ধি কৰিছে। এই সন্দৰ্ভত পৰিষদৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি অহা ৯ আৰু ১০ জুনত নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ পঞ্জীয়নৰ বাবে প'ৰ্টেল মুকলি কৰিব। এই সময়ছোৱাত সকলো বিদ্যালয়কে পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। পৰৱৰ্তী পৰ্যায়ত পঞ্জীয়নৰ সময়সীমা বৃদ্ধি কৰা নহ'ব আৰু অফ লাইনত কোনো আবেদন গ্ৰহণ কৰা নহ'ব বুলি নিৰ্দেশনাটোৰ জৰিয়তে সচিবে প্ৰকাশ কৰিছে।

০০০০০

চৰাইদেউ জিলাৰ সোণাৰি আৰু মাহমৰা বিধানসভা সমষ্টিৰ অংগনবাড়ী কৰ্মীসকলৰ মাজত আজি স্মাৰ্ট ফোন বিতৰণ কৰা হয়।   এই উপলক্ষে জিলাখনৰ সোণাৰিৰ ৰাজহুৱা প্ৰেক্ষাগৃহত চৰাইদেউ জিলা মহিলা আৰু শিশু বিকাশ বিভাগৰ উদ্যোগত, জিলা প্ৰশাসনৰ সহযোগত আয়োজিত অনুষ্ঠানত মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। সমাজ কল্যাণ বিভাগৰ এই পদক্ষেপে ডিজিটেল সৰলীকৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। উল্লেখযোগ্য  চৰাইদেউ জিলাত ৬২৫ গৰাকী অংগনবাড়ী কৰ্মী আছে। ৰাজ্য চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পৰ অধীনত কৰ্মৰত এইসকল কৰ্মীয়ে সমাজ কল্যাণ বিভাগৰ আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। আজিৰ অনুষ্ঠানত মন্ত্ৰী যোগেন মহন, বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, জিলা আয়ুক্ত ড০ নেহা যাদৱৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

ধেমাজী জিলাৰ চিমেন নদীত আজি পুৱা নৈত উটি অহা এটি মৃতদেহ উদ্ধাৰ কৰা হয়। চিমেন নদীত দলং নিৰ্মাণৰ কাম চোৱা চিতাৰ দায়িত্বত থকা লোকে নদীত উটি অহা মৃতদেহটো প্ৰত্যক্ষ কৰি চিমেন চাপৰি আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ টো উদ্ধাৰ কৰে। মৃত লোকজন চিলাপথাৰ চিলিৰ ভাৰত বসুমতাৰী বুলি চিনাক্ত কৰা হৈছে। অৰুণাচল প্ৰদেশৰ পশ্চিম চিয়াং জিলাৰ দালিগাঁৱৰ এজন লোকৰ ঘৰত কৰ্মৰত লোকজনৰ মৃত্যুৰ কাৰণ মৰনোত্তৰ পৰীক্ষাৰ পাছতহে জানিব পৰা যাব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

ooooo

চিকিমৰ মাংগন জিলাৰ লাচেনত আৱদ্ধ হৈ থকা পৰ্যটকসকলৰ উদ্ধাৰ অভিযান আজি সম্পূৰ্ণ হৈছে। এই সমগ্ৰ অভিযান নিৰীক্ষণত থকা মাংগন জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকে এই কথা নিশ্চিত কৰিছে। বাগদোগৰা আৰু পাকয়ঙৰ পৰা বায়ু সেনাৰ হেলিকপ্তাৰে বাকী থকা পৰ্যটকসকলৰ উপৰি চাতেনত বাস কৰা কিছু লোকক উদ্ধাৰ কৰে।

আকাশবাণী গেংটকৰ সংবাদদাতাই জনোৱা মতে, বায়ু সেনা, স্থল সেনা, এন ডি আৰ এফ আৰু ৰাজ্য চৰকাৰৰ কেইবাটাও সংস্থাই যুটীয়াভাৱে এই উদ্ধাৰ অভিযান চলায়। উদ্ধাৰকাৰী দলসমূহে পৰ্যটকসকলক উদ্ধাৰ কৰাৰ সময়ত অতি প্ৰতিকূল বতৰৰ সন্মুখীন হ'বলগীয়া হয়। ভূমিস্খলনৰ ফলত লাচেন আৰু লাচুঙত প্ৰায় দুহেজাৰ লোক আবদ্ধ হৈ আছিল। লাচুঙত আবদ্ধ হোৱা এহেজাৰ ৬০০ পৰ্যটককো উদ্ধাৰ কৰা হৈছে। ইপিনে ছিকিমৰ পৰ্যটন বিভাগে পৰ্যটক সকলে লাচেন আৰু লাচুঙৰ বাহিৰে ৰাজ্যখনৰ আন আন অঞ্চলসমূহ ভ্ৰমণ কৰিব পাৰিব বুলি জানিবলৈ দিছে। ৰাজ্যখনৰ অতিৰিক্ত মুখ্য সচিব চি এছ্ ৰাৱে কয়, যে ছিকিমত ২০০ ৰো অধিক পৰ্যটনস্থলী আছে আৰু ভূমিস্খলন হোৱা অঞ্চলকেইটাৰ বাহিৰে অন্যান্য ঠাইসমূহ ভ্ৰমণ কৰাত কোনো ধৰণৰ নিষেধাজ্ঞা জাৰি কৰা হোৱা নাই।

সমাপ্ত